পুৰুষসকলৰ বাবে সৰ্বোত্তম শাৰী হৈছে প্ৰথম শাৰী, আৰু বেয়া শাৰী হৈছে একেবাৰে শেষৰ শাৰী। আনহীতে নাৰীসকলৰ ক্ষেত্ৰত সৰ্বোত্তম শাৰী হৈছে একেবাৰে শেষৰ শাৰী, আৰু বেয়া শাৰী হৈছে প্ৰথম শাৰী।

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "পুৰুষসকলৰ বাবে সৰ্বোত্তম শাৰী হৈছে প্ৰথম শাৰী, আৰু বেয়া শাৰী হৈছে একেবাৰে শেষৰ শাৰী। আনহীতে নাৰীসকলৰ ক্ষেত্ৰত সৰ্বোত্তম শাৰী হৈছে একেবাৰে শেষৰ শাৰী, আৰু বেয়া শাৰী হৈছে প্ৰথম শাৰী।"
[ছহীহ] [(মুছলিম)]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, নামাজত পুৰুষসকলৰ বাবে ছোৱাব আৰু ফজিলতৰ ক্ষেত্ৰত সৰ্বোত্তম শাৰী হৈছে প্ৰথম শাৰী। কাৰণ এই শাৰী হৈছে ইমামৰ নিকটৱৰ্তী তথা তেওঁৰ কিৰাআত স্পষ্টভাৱে শুনিব পৰা শাৰী, লগতে এইটো হৈছে নাৰীসকলৰ পৰা দূৰৈত অৱস্থিত শাৰী। আনহাতে চৰীয়তৰ উদ্দেশ্যৰ পৰা দূৰৈত আৰু ছোৱাব তথা ফজিলতৰ ফালৰ পৰা নিম্নমানৰ শাৰী হৈছে শেষৰ শাৰী। পক্ষান্তৰে নাৰীসকলৰ বাবে উত্তম শাৰী হৈছে শেষৰ শাৰী। কাৰণ এইটো হৈছে তেওঁলোকৰ বাবে অধিক পৰ্দা। এইটো হৈছে পুৰুষসকলৰ পৰা দূৰত তথা সিহঁতক দেখাৰ পৰা আৰু সিহঁতৰ ফিতনাত পতিত হোৱাৰ পৰা সুৰক্ষিত শাৰী। আনহাতে নাৰীসকলৰ বাবে প্ৰথম শাৰী হৈছে বেয়া শাৰী, কাৰণ এইটো পুৰুষসকলৰ ওচৰত থাকে আৰু ফিতনা হোৱাৰ আশংকা থাকে।

http://www.sunnah.global/hadeeth/as/show/11299